ASSAMESE

eklavya

# ময়ো...

এটা চিত্রকথা



বি. চুতেয়েভ

# ময়ো...

চিত্ৰ আৰু কাহিনী
বি. চুতেয়েভ

eklavya

# ময়ো...

## Moyu...

A picture story

Text & Illustrations: V. Suteyev
Assamese Translation: Ayang Trust & The Hummingbird School family
Editorial Consultant: Ayang Trust & The Hummingbird School family
Editorial Support: Isha Badkas, Indu Nair & Shivnarayan Gour

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Developed with financial support from the H T Parekh Foundation.

Edition: January 2024 (1000 copies)
Reprint: September 2025 (1000 copies)

Paper: 100 gsm Maplitho and cover 220 gsm FB Board

ISBN: 978-81-19771-15-8

Price: ₹ 50.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: Box Corugators and Offset Printers, Bhopal, Phone +91 0755 258 7651

ময়ো...



এটা কণীৰ পৰা এটা হাঁহৰ পোৱালি ওলালে।

“চোৱা, মই এটা কণীৰ পৰা ওলাইছো!” হাঁহৰ পোৱালিটোৱে ক’লে।



আন এটা কণীৰ পৰা এটা কুকুৰাৰ পোৱালি ওলালে।
“ময়ো ওলালো!” কুকুৰাৰ পোৱালিটোৱে ক’লে।



“মই ফুৰিবলৈ গৈ আছো,” হাঁহৰ পোৱালিটোৱে ক’লে।

“ময়ো যাম,” কুকুৰাৰ পোৱালিটোৱে ক’লে।



“মই এটা গাঁত খান্দি আছো,” হাঁহৰ পোৱালিটোৱে ক’লে।

“ময়ো খান্দিম,” কুকুৰাৰ পোৱালিটোৱে ক’লে।




“মই এটা কেঁচু পালোঁ,” হাঁহৰ পোৱালিটোৱে ক’লে।

“ময়ো পালোঁ,” কুকুৰাৰ পোৱালিটোৱে ক’লে।



“মই এটা পখিলা ধৰিলো,” হাঁহৰ পোৱালিটোৱে ক’লে।
“ময়ো পখিলা ধৰিলো,” কুকুৰাৰ পোৱালিটোৱে ক’লে।



“মই সাঁতুৰিব বিচাৰো,” হাঁহৰ পোৱালিটোৱে ক’লে।

“ময়ো,” কুকুৰাৰ পোৱালিটোৱে ক’লে।




“চোৱা, মই সাঁতুৰি আছো!” হাঁহৰ পোৱালিটোৱে ক’লে।



“ময়ো সাঁতুৰিম,” কুকুৰাৰ পোৱালীটোৱে ক’লে।



“বচোৱা ! বচোৱা !” কুকুৰাৰ পোৱালিটো ডুবিবলৈ লওঁতেই চিঞৰিলে।



হাঁহৰ পোৱালিটোৱে কুকুৰাৰ পোৱালিটোক
পানীৰ পৰা উলিয়াই আনিলে।



“মই আকৌ সাঁতুৰিবলৈ যাঁও,” হাঁহৰ পোৱালিটোৱে ক'লে।

কুকুৰাৰ পোৱালিটোৱে ক'লে, “মই নাযাঁও।”

eklavya

Price: ₹ 50.00

9 788119 771158